সঠিকভাৱে অনুধাৱন কৰিব নোৱাৰিলে নৱগঠিত আঞ্চলিক ৰাজনৈতিক দল অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলে প্ৰথম পৰ্যায়তে উজুটি খোৱাৰ আশংকা প্ৰবল। অসমত আঞ্চলিক ৰাজনৈতিক দলৰ প্ৰাসংগিকতা নিশ্চিতভাৱে আছে। ৰাজ্যৰ বৃহত্তম আঞ্চলিক ৰাজনৈতিক দল বৰ্তমান বিজেপিৰ নাগপাশত আবদ্ধ হৈ অস্তিত্বৰ সংকটত ভুগিছে, দলটোৰ জনসমৰ্থন ক্ৰমে নিম্নগামী হৈছে আৰু বৰ্তমানৰ পৰিস্থিতি অব্যাহত থাকিলে অগপ দল ২০২১ৰ বিধানসভা নিৰ্বাচনত প্ৰায় নিশ্চিহ্ন হৈ যে পৰিব সেয়া নিশ্চিত। দলৰ নেতৃত্বত দলটোৰ তৃণমূল পৰ্যায়ৰ নেতা-কৰ্মীসকল বিভ্ৰান্ত হৈ পৰিছে। নিজৰ ৰাজনৈতিক ভৱিষ্যতৰ অনিশ্চয়তাত ভোগা অগপ দলৰ একাধিক প্ৰতিষ্ঠাপক জ্যেষ্ঠ নেতাই শীঘ্ৰে অসম জাতীয় পৰিষদত যোগদান কৰাৰ সম্ভাৱনা ক্ৰমান্বয়ে বৃদ্ধি পাইছে। অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলে প্ৰকৃতাৰ্থত আঞ্চলিকতাবাদী ৰাজনীতিক প্ৰতিনিধিত্ব কৰিব পাৰিব লাগিব। কৃষক নেতা অখিল গগৈৰ দীৰ্ঘকালীন কাৰাৰুদ্ধ জীৱন, দীৰ্ঘকালীন কৃষক মুক্তি সংগ্ৰাম সমিতিত অনুপস্থিতিয়ে ইতিমধ্যে কৃষক মুক্তি সংগ্ৰাম সমিতিক নিশকতীয়া কৰি তুলিছে। অখিল গগৈৰ কাৰাবন্দী জীৱনৰ অন্ত নপৰা পৰ্যন্ত কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু ইয়াৰ ঔৰসত জন্ম হোৱা ৰাইজৰ দল নেতৃত্বহীনতাৰ চিকাৰ যে হ'ব সেয়া নিশ্চিত। এনে হ'লে ৰাইজৰ দলে নিজা অস্তিত্বৰ যুঁজতহে অধিক ব্যস্ত হ'ব লাগিব, বিজেপিক ৰাজনৈতিকভাৱে প্ৰতিহত কৰা বা প্ৰত্যাহ্বান জনাব পৰা শক্তি দলটোৱে বা কৃষক মুক্তিয়ে আহৰণ কৰিব নোৱাৰিব। ৰাইজৰ দলে অসম জাতীয় পৰিষদৰ লগত ৰাজনৈতিক মিত্ৰতাৰে ঐক্যবদ্ধভাৱে সমাগত অসম বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিলে কিছু আসন দখল কৰাৰ সম্ভাৱনা আছে। কিন্তু দলটোৱে এককভাৱে বিশেষ সফলতা সমাগত বিধানসভা নিৰ্বাচনত লাভ কৰাৰ সম্ভাৱনা নাই। ৰাইজৰ দলে সৰ্বাধিক ৮-১০খন আসন দখল কৰিব পাৰে, যদিহে আঞ্চলিকতাবাদী আৰু বিজেপিবিৰোধী ভোটৰ বিভাজন নঘটে। ইয়াৰ বিপৰীতে আছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক আৰু নাগৰিকত্ব সংশোধনী আইনবিৰোধী আন্দোলনৰ শক্তিশালী নেতাৰূপে ইতিমধ্যে প্ৰতিষ্ঠিত হোৱা লুৰীণজ্যোতি গগৈৰ নেতৃত্বত অসম জাতীয় পৰিষদে সমাগত বিধানসভা নিৰ্বাচনত শক্তিশালীভাৱে আত্মপ্ৰকাশ কৰি শাসকীয় বিজেপি দলক বলিষ্ঠভাৱে প্ৰত্যাহ্বান জনোৱাৰ

◆◆

***ৰাইজৰ দলে অসম জাতীয় পৰিষদৰ লগত ৰাজনৈতিক মিত্ৰতাৰে ঐক্যবদ্ধভাৱে সমাগত অসম বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিলে কিছু আসন দখল কৰাৰ সম্ভাৱনা আছে।***

◆◆◆

প্ৰচুৰ সম্ভাৱনা আছে। সুস্পষ্ট ৰাজনৈতিক দৰ্শন, নীতি, কাৰ্যপন্থা হাতত লৈ সমূহীয়া নেতৃত্বৰে পৰিচালিত হ'লে, অসমৰ প্ৰত্যেক জাতি, জনগোষ্ঠীৰ, সম্প্ৰদায়ৰ সম প্ৰতিনিধিত্বৰে, জাতি-জনগোষ্ঠীয় বিভিন্ন দল-সংগঠনৰ সহযোগিতা আৰু সমন্বয়ৰ জৰিয়তে আগবাঢ়িলে, আৰ্থিক স্বাৱলম্বিতা অৰ্জন, অৰ্থনৈতিক ক্ষেত্ৰত খিলঞ্জীয়াৰ প্ৰভুত্ব বৃদ্ধিৰ বাস্তৱিক কৰ্মসূচী লৈ আগবাঢ়িলে, আগন্তুক বিধানসভা নিৰ্বাচনত বিৰোধী দলৰ মাজত হ'ব পৰা সম্ভাব্য ভোট বিভাজন ৰোধ কৰাৰ বাবে আদৰ্শগত আৰু নীতিগত মিল থকা ৰাজনৈতিক দল-সংগঠনে প্ৰাক-নিৰ্বাচনী মিত্ৰতা স্থাপন কৰিব পাৰিলে, কেৱল সমাগত বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি নহয়, প্ৰকৃতাৰ্থত অসমৰ আঞ্চলিকতাবাদী, জাতীয়তাবাদী শক্তিক একত্ৰিত কৰি বহল পৰিসৰৰ এটা ৰাজনৈতিক শক্তি গঠন কৰিব পাৰিলে অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলে সমাগত বিধানসভা নিৰ্বাচনত ঐক্যবদ্ধভাৱে শাসকীয় বিজেপি দলক ৰাজনৈতিক প্ৰত্যাহ্বান জনাব পাৰিব আৰু বিজেপিৰ বৰ্তমানৰ আগ্ৰাসী ৰাজনীতিক প্ৰতিহত কৰাৰ শক্তি আহৰণ কৰিব পাৰিব। অসমৰ খনিজাত, বনজাত, প্ৰাকৃতিক সম্পদৰ ওপৰত অসমৰ অধিকাৰ প্ৰতিষ্ঠা কৰা, ক্ষুদ্ৰ

◆◆

***অসমৰ আঞ্চলিকতাবাদী, জাতীয়তাবাদী শক্তিক একত্ৰিত কৰি বহল পৰিসৰৰ এটা ৰাজনৈতিক শক্তি গঠন কৰিব পাৰিলে অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলে সমাগত বিধানসভা নিৰ্বাচনত ঐক্যবদ্ধভাৱে শাসকীয় বিজেপি দলক ৰাজনৈতিক প্ৰত্যাহ্বান জনাব পাৰিব***

◆◆◆

জাতিসত্তাসমূহৰ আত্মবিকাশ আৰু আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি তেনে জাতি-জনগোষ্ঠীৰ মৌলিক সমস্যাৰাজি সমাধানৰ বাস্তৱিক কাৰ্যপন্থা হাতত লৈ, প্ৰত্যেক বিধানসভা সমষ্টিত সৰ্বজন গ্ৰহণযোগ্য, বিতৰ্কমুক্ত, দুৰ্নীতিমুক্ত, সৎ, নিকা ভাবমূৰ্তিৰ আৰু উচ্চশিক্ষিত লোকক প্ৰাৰ্থিত্ব প্ৰদান কৰা উচিত। আছুৰ সাধাৰণ সম্পাদকৰ দায়িত্বত থকা সময়ত আৰু বৰ্তমান অসম জাতীয় পৰিষদৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছত লুৰীণজ্যোতি গগৈৰ একাধিক বক্তব্যৰ ওপৰত উল্লেখ কৰা বিষয়সমূহত নিজস্ব ধ্যান-ধাৰণা, কাৰ্যপন্থা গ্ৰহণৰ ইংগিত দেখা পোৱা গৈছে। এয়া ভৱিষ্যতৰ অসমৰ ৰাজনীতিৰ বাবে এটা যোগাত্মক দিশ। লুৰীণজ্যোতি গগৈৰ কথা আৰু কাম-কাজত বৰ্তমানলৈকে ভৱিষ্যতৰ সম্ভাৱনাপূৰ্ণ ৰাজনীতিবিদৰ লক্ষণ দেখা পোৱা গৈছে। ৰাজনীতিৰ বৰ্তমানৰ পংকিলতাৰ মাজত হেৰাই নগ'লে লুৰীণজ্যোতি গগৈ ভৱিষ্যতে অসমত এগৰাকী শক্তিশালী জননেতা হোৱাৰ প্ৰচুৰ সম্ভাৱনা আছে।

২০২১ৰ অসম বিধানসভা নিৰ্বাচনত অসম জাতীয় পৰিষদে কিমানখন আসন দখল কৰিব পাৰিব, দিছপুৰৰ ৰাজনৈতিক ক্ষমতা দখল কৰিব পাৰিবনে তাৰ পূৰ্বানুমান বৰ্তমান কৰা সম্ভৱপৰ নহয়। কিন্তু এটা কথা মনত ৰখা আৱশ্যক যে ২০১৬ চনৰ বিধানসভা নিৰ্বাচনত ৬৭ শতাংশৰো অধিক লোকে বিজেপিবিৰোধী অৱস্থান গ্ৰহণ কৰিছিল আৰু মাত্ৰ ৩৩ শতাংশ ভোট লাভ কৰি বিজেপিয়ে দিছপুৰৰ শাসনভাৰ দখল কৰিবলৈ সক্ষম হৈছিল। বিজেপিবিৰোধী দলসমূহৰ মাজত হোৱা ব্যাপক ভোট বিভাজনৰ বাবেই বিজেপিৰ বাবে দিছপুৰৰ ক্ষমতা দখল সম্ভৱপৰ হৈছিল। ২০২১ চনৰ অসম বিধানসভা নিৰ্বাচনত বিজেপিক ৰাজনৈতিকভাৱে প্ৰতিহত কৰাৰ বাবে বিৰোধী দলসমূহে বিজেপিবিৰোধী ভোট বিভাজন প্ৰথমে প্ৰতিৰোধ কৰিব লাগিব। অন্যথা বিজেপিবিৰোধী যুঁজ এখন অৰ্থহীন যুঁজলৈ পৰিণত হ'ব আৰু ভোট বিভাজনৰ মাজেদি বিজেপিৰ বাবে পুনৰ দিছপুৰৰ ৰাজনৈতিক ক্ষমতা দখল সম্ভৱপৰ হ'ব।

অনাগত সময়খিনি লুৰীণজ্যোতি গগৈৰ নেতৃত্বৰ অসম জাতীয় পৰিষদৰ আৰু কৃষক মুক্তি সংগ্ৰাম সমিতিৰ উদ্যোগত গঠিত ৰাইজৰ দলৰ বাবে যে যথেষ্ট প্ৰত্যাহ্বানকাৰী হ'ব সেয়া নিশ্চিত।

ঠিকনা ঃ সম্পাদক, দৈনিক পৰিক্ৰমা, বৰিগাঁও চাইডিং নৱজ্যোতি পথ, যোৰহাট-৭৮৫০০১, ফোন ঃ ৭০৮৬৭৬৬৮৯৯